অসম চৰকাৰ

উপায়ুক্তৰ কাৰ্য্যালয় ::::: ::::: মৰিগাওঁ ::::: অসম

নং- এম,আৰ,জি, ০৫/২০২১/৭

তাং- ০৬/১২/২০২১

## জা ন নী

ইয়াৰ দ্বাৰা মায়ং, লাহৰিঘাট, ভুৰাগাঁও, মিকিৰভেটা আৰু মৰিগাঁও ৰাজহ চক্ৰৰ অধীনৰ তলত উল্লেখ কৰা গাওঁকেইখনৰ বাসিন্দা সকলৰ জ্ঞাতাৰ্থে জনোৱা হয় যে, গাওঁ প্ৰধানৰ মৃত্যু আৰু অব্যাহতিৰ স্হলত খালী হৈ থকা পদত মকৰলৰ বাবে অসম চৰকাৰৰ সংশোধিত ইং-২৬/০৮/২০২১ তাৰিখৰ কাৰ্য্যকৰি নিৰ্দ্দেশাৱলীৰ অধিশোচনা নং-আৰ,এল,আৰ,৭৩/২০২০/৩ ৰ ওপৰত ভিত্তী কৰি নিম্ন লিখিত গাওঁ কেইখনৰ ইচ্ছুক প্ৰাৰ্থীৰ পৰা মায়ং, লাহৰিঘাট আৰু ভুৰাগাঁও ৰাজহ চক্ৰৰ বাবে যোৱা ইং-২৮/১০/২০২১ তাৰিখে এম,আৰ,জি,০৩/২০২১/৪ নং জাননী যোগে যোৱা ইং-১৫/১১/২০২১ তাৰিখৰ ভিতৰত আৰু মিকিৰভেটা ও মৰিগাঁও ৰাজহ চক্ৰৰ বাবে যোৱা ইং-২০/১০/২০২১ তাৰিখে মিকিৰভেটা ৰাজহ চক্ৰৰ বাবে এম,আৰ,জি,০১/২০২১/২ নং জাননী আৰু মৰিগাঁও ৰাজহ চক্ৰৰ বাবে এম,আৰ,জি,০২/২০২১/২ নং জাননী যোগে যোৱা ইং-০৫/১১/২০২১ তাৰিখৰ ভিতৰত পোৱাকৈ তলত দিয়া যোগ্যতা মতে আবেদন পত্ৰ বিচৰা হৈছিল যদিও পুনৰ অহা ইং-১৭/১২/২০২১ তাৰিখলৈ আবেদন কৰাৰ সময় বৃদ্ধি কৰা হ'ল।

| ক্ৰ.নং | ৰাজহ চক্ৰৰ নাম | মৌজাৰ নাম | গাওঁ প্ৰধান পদৰ খালী হোৱা গাঁৱৰ(কিছামৰ) নাম |
|---|---|---|---|
| ১ | ২ | ৩ | ৪ |
| ১ | মায়ং | গোভা | ১নং বঙ্গালবৰি, চুট্ৰেদল আৰু দুঙ্গাবৰী |
| ২ | | | কুইয়াদল |
| ৩ | | মনহা | মনহা, মাজৰবৰি আৰু হাৰিয়াপাৰ |
| ৪ | | | বাৰুকটা আৰু কোৱঁৰগাওঁ |
| ৫ | | পকৰিয়া | গাগলমাৰি |

| ক্ৰ.নং | ৰাজহ চক্ৰৰ নাম | মৌজাৰ নাম | গাওঁ প্ৰধান পদৰ খালী হোৱা গাঁৱৰ(কিছামৰ) নাম |
|---|---|---|---|
| ১ | ২ | ৩ | ৪ |
| ১ | লাহৰিঘাট | লাহৰিঘাট | গৰৈমাৰি,নগাবন্ধা, মহমাৰাবিল আৰু লাহৰিপাম |
| ২ | | মৈৰাবাৰি | ভেলৌগুৰি |
| ৩ | | | বৰখল দলৈগাঁও আৰু বৰখল কছাৰিগাঁও |

| ক্ৰ.নং | ৰাজহ চক্ৰৰ নাম | মৌজাৰ নাম | গাওঁ প্ৰধান পদৰ খালী হোৱা গাঁৱৰ(কিছামৰ) নাম |
|---|---|---|---|
| ১ | ২ | ৩ | ৪ |
| ১ | ভুৰাগাঁও | ভুৰাগাঁও | উজাগাঁও, ১নং জাওগাঁও আৰু ৪নং জাওগাঁও |
| ২ | | বোকনী | বাবুকাটা চহৰিয়া আৰু বৰামাৰি কছাৰিগাঁও |

| ক্ৰ.নং | ৰাজহ চক্ৰৰ নাম | মৌজাৰ নাম | গাওঁ প্ৰধান পদৰ খালী হোৱা গাঁৱৰ (কিছামৰ) নাম |
|---|---|---|---|
| ১ | ২ | ৩ | ৪ |
| ১ | মৰিগাঁও | মৰিগাঁও | জৰাবাৰি, ২৯ নং ব্লক |
| ২ | | | কোৱৰগাঁও, ভঙ্গামুৰ চকধৰবৰি |
| ৩ | | | মৰিগাঁও, পদুতীয়া আৰু মৈধালি পথাৰ |
| ৪ | | দন্দুৱা | নিজ দন্দুৱা |

| ক্ৰ.নং | ৰাজহ চক্ৰৰ নাম | মৌজাৰ নাম | গাওঁ প্ৰধান পদৰ খালী হোৱা গাঁৱৰ(কিছামৰ) নাম |
|---|---|---|---|
| ১ | ২ | ৩ | ৪ |
| ১ | মিকিৰভেটা | মিকিৰভেটা | শুকদল বৰবৰি |
| ২ | | | তামুলিবৰি |
| ৩ | | চৰাইবাহী | গৰমাৰি আৰু তৰাজান |
| ৪ | | শিলপুখুৰী | হালধিআটি আৰু টুপগাঁও |
| ৫ | | | বোৱালগুৰি, গা-খজুৰা আৰু শিমলুগুৰি |
| ৬ | | | বৰচিলা |

<u>যোগ্যতা</u>

১) আবেদনকাৰী ভাৰতীয় নাগৰিক আৰু মায়ং, লাহৰিঘাট, ভুৰাগাঁও, মিকিৰভেটা আৰু মৰিগাঁও ৰাজহ চক্ৰৰ অধীনৰ ওপৰত উল্লেখ কৰা গাওঁ প্ৰধান পদ খালী হৈ থকা গাওঁকেইথনৰ স্থায়ী বাসিন্দা হব লাগিব।

২) আবেদনকাৰী **সু-চৰিত্ৰৰ** অধিকাৰী হব লাগিব । আবেদনকাৰীৰ বিৰুদ্ধে কোনো ধৰণৰ **ফৌজদাৰী** গোচৰ আদি থাকিব নোৱাৰিব।

৩) আবেদনকাৰী **শাৰিৰীক আৰু মানসিক** ভাবে সুস্থ হব লাগিব।

৪) আবেদনকাৰীৰ শিক্ষাগত অৰ্হতা- নিম্নতম **দশম শ্ৰেণী উত্তীৰ্ণ** হব লাগিব ।

৫) আবেদনকাৰীৰ বয়স আবেদনকৰা তাৰিখত নিম্নতম **৩০ বছৰৰ** কম হব নোৱাৰিব ।

৬) আবেদনকাৰী দেউলীয়া বা কোনো ঋণ অনাদায়ী ব্যক্তি হব নোৱাৰিব ।

৭) আবেদনকাৰীৰ **দুটাতকৈ অধিক** জীৱিত লৰা-ছোৱালী থাকিব নোৱাৰিব । (**শপতনামা** গাঠি দিব লাগিব)।

* নিম্নতম পাৰিতোষিক মাহেকীয়া মাননী **৯০০০.০০**(ন হাজাৰ) টকা দিয়া হব ।

* গাওঁপ্ৰধান পদত **৬৫** বছৰ বয়সলৈকেহে কাম কৰিব পাৰিব।

* আবেদনকাৰীয়ে আবেদনৰ লগত **ঋণ মুক্ত, স্বভাৱ চৰিত্ৰ, আৰক্ষীৰ প্ৰতিবেদন** আৰু **সুস্থতাৰ** প্ৰমান প্ৰত্ৰ গাঠি দিব লাগিব ।

* আবেদনকাৰীয়ে আবেদনৰ লগত **শিক্ষাগত অৰ্হতাৰ** সকলো প্ৰমাণ পত্ৰ গাঠি দিব লাগিব ।

**ইচ্ছুক** প্ৰাৰ্থীয়ে অহা ইং- **১৭/১২/২০২১** তাৰিখৰ ভিতৰত আবেদন উপায়ুক্তৰ কাৰ্য্যালয়ত ৰখা বাকচত জমা দিব পাৰিব । নিৰ্দ্ধাৰিত তাৰিখৰ পিচত দিয়া আবেদন গ্ৰহণ যোগ্য নহব ।

<u>বি দ্ৰ</u> :- পূৰ্ব্বতে দিয়া জাননী মতে যি সকল উপযুক্ত প্ৰাৰ্থীয়ে আবেদন কৰিছিল তেখেত সকলে পুনৰ আবেদন কৰিব নালাগে ।

Sd/-
উপায়ুক্ত,
মৰিগাঁও ।

স্মাৰক নং- এম,আৰ,জি,০৫/২০২১/৭ - (ক) তাং-০৬/১২/২০২১

<u>ইয়াৰ প্ৰতিলিপিঃ-</u>

১) কাৰিকৰি সঞ্চালক ও জিলা তথ্য বিজ্ঞান বিষয়া, মৰিগাঁও । তেখেতে বহুল প্ৰচাৰৰ ব্যৱস্হা কৰিব ।

২) চক্ৰ বিষয়া, মায়ং, লাহৰিঘাট, আৰু ভুৰাগাঁও, মিকিৰভেটা আৰু মৰিগাঁও ৰাজহ চক্ৰ । তেখেত সকলে এই জাননী থন চক্ৰত থকা জাননী ফলকত আৰি দিয়াৰ ব্যৱস্থা কৰিব ।

৩) তথ্য ও জনসংযোগ বিষয়া, মৰিগাঁও । তেখেতে স্হানীয় বাতৰি কাকত আৰু দূৰ্বদৰ্শনত বহুল প্ৰচাৰৰ ব্যৱস্হা কৰিব ।

৪) উপায়ুক্ত কাৰ্য্যালয়ৰ জাননী ফলক ।

উপায়ুক্ত,
মৰিগাঁও।